# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM-HG/RC-1016

( অসমীয়া ভাষাৰ ইতিহাস )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ১×১০=১০

(ক) প্ৰচীন কামৰূপত প্ৰচলিত 'কামৰূপী প্ৰাকৃত' নামৰ থলুৱা প্ৰাকৃতৰ কথা প্ৰথমে কোনে উল্লেখ কৰিছিল ?

(খ) চৰ্যাপদসমূহ কি ধৰ্মৰ লগত জড়িত ?

(গ) গদ্যত লিখা এখন চৰিতপুথিৰ নাম লিখা।

(ঘ) 'বুঢ়ী আইৰ সাধু' প্ৰথমে কিমান খ্ৰীষ্টাব্দত প্ৰকাশিত হৈছিল ?

(ঙ) কোনজন পূৰ্বজ কবিক শংকৰদেৱে 'অপ্ৰমাদী কবি' আখ্যা দিছিল ?

(চ) চৰ্যাপদসমূহ প্ৰথম ছপা হৈ ওলাওঁতে কি ভাষাৰ নিদৰ্শন ৰূপে প্ৰকাশ হৈ ওলাইছিল ?

(ছ) হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত' প্ৰথম কোনখন আলোচনীত প্ৰকাশ হৈছিল ?

(জ) 'অসমীয়া কথা সাহিত্য' নামৰ গ্ৰন্থৰ ৰচকজনৰ নাম লিখা।

(ঝ) শংকৰদেৱৰ 'দশম' গ্ৰন্থখন ভাগৱত পুৰাণৰ কোনটো স্কন্ধৰ আলমত ৰচিত ?

(ঞ) আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰথম প্ৰকাশিত ৰচনাখনৰ নাম লিখা।

২। তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) যি কোনো দুবিধ মন্ত্ৰৰ নাম লিখা।

(খ) মাগধী প্ৰাকৃতৰ পৰা বিকশিত অপভ্ৰংশ দুবিধ কি কি ?

(গ) তলৰ শব্দ দুটাৰে 'অৰুণোদই' আলোচনীত কি অৰ্থ বুজোৱা হৈছিল, লিখা :

লতা-পনিয়ল, নাগমাটি।

(ঘ) "সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোদ্ধৃতে।"

উল্লিখিত কাব্যাংশৰ ৰচক কোন ? ইয়াত 'লম্ভা পৰিহৰি' কথাষাৰে কি বুজাইছে ?

(ঙ) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা অসমীয়া ভাষাৰ ব্যাকৰণখনৰ নাম কি? এই ব্যাকৰণখন প্ৰথম কোন খ্ৰীষ্টাব্দত প্ৰকাশিত হৈছিল?

৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ৫×৪=২০

(ক) প্ৰাচীন কামৰূপৰ লিপিসমূহত উল্লেখ থকা স্থানীয় ভাষাৰ বিশেষত্বপূৰ্ণ ঠাইৰ নাম আৰু মানুহৰ নামৰ বিষয়ে লিখা।

(খ) চৰ্যাপদৰ ভাষাৰ লগত অসমীয়া ভাষাৰ ধ্বনিগত সাদৃশ্য দেখুওৱা।

(গ) 'দশম'ৰ অনুবাদ-ৰীতিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(ঘ) মন্ত্ৰপুথিসমূহৰ ভাষাৰ বিশেষত্ব দেখুৱাই এটি টোকা লিখা।

(ঙ) বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটা টোকা লিখা।

(চ) 'অৰুণোদই' আলোচনীৰ বৰ্ণবিন্যাস সলনি কৰাত হেমচন্দ্ৰ বৰুৱাই কেনে ভূমিকা লৈছিল? হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত'ৰ আধাৰত বৰ্ণনা কৰা।

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ১০×৪=৪০

৪। (ক) "তেওঁৰ (মাধৱ কন্দলিৰ) ভাষাত কথ্য অসমীয়া ভাষাৰ এটি সাধু বা সাহিত্যিক ৰূপ প্ৰতিষ্ঠিতভাৱে দেখা পাওঁ।" ড০ মহেশ্বৰ নেওগৰ এই উক্তিৰ আলমত সাহিত্যিক অসমীয়া ভাষা গঢ় দিয়াত মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ গুৰুত্ব বিচাৰ কৰা।

*নাইবা*

(খ) 'দশম'ৰ আধাৰত শংকৰদেৱৰ ৰচনাত ব্যৱহৃত বিভিন্ন ধৰণৰ শব্দ, ঘৰুৱা চিত্ৰ, যোজনা-পটন্তৰ আদিৰ বিষয়ে আলোচনা কৰা।

৫। (ক) চৰিতপুথিৰ গদ্যৰ ভাষাগত বিশেষত্ববোৰ বিচাৰ কৰা।

*নাইবা*

(খ) বুৰঞ্জী আৰু চৰিতপুথিৰ গদ্যৰ এটি তুলনামূলক বিচাৰ দাঙি ধৰা।

৬। (ক) 'বুঢ়ী আইৰ সাধু'ৰ আলমত সাধুকথাৰ কথক হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাৰ এটি পৰিচয় দাঙি ধৰা।

*নাইবা*

(খ) আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অচমিয়া ল'ৰাৰ মিত্ৰ'ৰ ভাষাৰ বিষয়ে আলোচনা কৰা।

৭। (ক) চৰ্যাপদৰ ভাষাৰ লগত অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক সাদৃশ্য বিচাৰ কৰা।

*নাইবা*

(খ) অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ এটি ৰূপৰেখা দাঙি ধৰা।

★★★